চৰকাৰী হিচাপ ৰক্ষা সমিতি
(Public Account Committee)

ভাৰতৰ সংসদে বৃটেইনৰ শাসন ব্যৱস্থাক অনুসৰণ কৰি চৰকাৰী হিচাপ ৰক্ষণ সমিতি গঠন কৰিছে। ভাৰতত চৰকাৰী হিচাপ ৰক্ষণ সমিতিৰ আঁতিগুৰি বিচাৰিবলৈ হ'লে ১৯২১ চনত প্রকাশিত মণ্টফ'র্ড প্রতিবেদনলৈ যাব লাগিব। উক্ত প্রতিবেদনত সন্নিৱিষ্ট নির্দেশ অনুসৰি ১৯২৩ চনত কেন্দ্রত এখন চৰকাৰী হিচাপ ৰক্ষণ সমিতি গঠন কৰা হৈছিল আৰু সেই সমিতিখনকে বর্তমানৰ হিচাপ ৰক্ষা সমিতিৰ পূর্বসুৰীৰ সমিতি বুলি কোৱা হয়। ভাৰতৰ সংবিধানৰ ১১৮ নং অনুচ্ছেদৰ প্রথম অনুসূচীত আৰু ২০৮ নং অনুচ্ছেদৰ প্রথমটো অনুসূচীত সংসদ আৰু ৰাজ্যিক বিধানমণ্ডলক চৰকাৰী পুঁজিৰ ব্যয়ৰ ওপৰত নিয়ন্ত্রণ সাব্যস্তকৰণৰ উদ্দেশ্যেৰে উক্ত সমিতিখন গঠনৰ কর্তৃত্ব প্রদান কৰিছে।

চৰকাৰী হিচাপ ৰক্ষণ সমিতিৰ গঠন (Composition of Public Accounts Committee): প্রাৰম্ভিক অৱস্থাত চৰকাৰী হিচাপ ৰক্ষণ সমিতিত যথেষ্ট সংখ্যক ১৫ জন সদস্যৰে গঠন কৰা হৈছিল। এই সদস্যসকলক লোকসভাৰ পৰা নির্বাচন কৰা হৈছিল। কিন্তু ১৯৫৩ চনত চৰকাৰী হিচাপ ৰক্ষণ সমিতিত ৰাজ্যসভাৰ পৰা ৭ জন সদস্যক প্রতিনিধি হিচাপে অন্তর্ভুক্তিকৰণৰ ব্যৱস্থা প্রৱর্তন কৰাৰ ফলশ্রুতিত সমিতিখনৰ সদস্য সংখ্যা পূর্বৰ ১৫ জনৰ পৰা ২২ জনলৈ বৃদ্ধি পালে। সদস্যসকলক আনুপাতিক প্রতিনিধিত্বমূলক একক হস্তান্তৰযোগ্য ভোটেৰে নির্বাচন কৰা হয় আৰু ইয়াৰ ফলত সংসদৰ ৰাজনৈতিক দলবিলাকৰ প্রত্যেকৰে পৰা সংখ্যাৰ অনুপাতত

সমিতিখনলৈ সদস্য নির্বাচন কৰাৰ সুবিধাৰ পয়োভৰ ঘটিছে। এই সদস্যসকলক সংসদৰ প্রথমখন অধিৱেশনত নির্বাচন কৰা হয়। কোনো মন্ত্রী সমিতিখনৰ সদস্য হ'ব নোৱাৰে।

চৰকাৰী হিচাপ ৰক্ষণ সমিতিৰ এজন সভাপতি থাকে। তেওঁক পূর্বতে শাসনাধিস্থ ৰাজনৈতিক দলৰ সদস্যসকলৰ মাজৰ পৰা নির্বাচন কৰা হৈছিল। কিন্তু বর্তমান সময়ত অন্যান্য দলৰ পৰা সভাপতিজনক নির্বাচন কৰাটো এক প্রথাত পৰিণত হৈছে।

উল্লেখযোগ্য যে কোনো গুৰুত্বপূর্ণ বিষয়ত সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত বিষয়টোৰ সপক্ষে আৰু বিপক্ষে সমান সংখ্যক ভোট হ'লে সভাপতিজনে নির্ণায়ক ভোটদান কৰি উক্ত অচলাৱস্থা দূৰ কৰিব পাৰে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে কেন্দ্রীয় সংসদৰ নিচিনাকৈ ৰাজ্যিক বিধানমণ্ডলবিলাকেও এনে চৰকাৰী হিচাপ ৰক্ষণ সমিতি গঠন কৰিব পাৰে।

চৰকাৰী হিচাপ ৰক্ষণ সমিতিৰ কার্যকাল (Tenure of Public Accounts Committee): চৰকাৰী হিচাপ ৰক্ষণ সমিতিৰ কার্যকাল এবছৰ। কিন্তু সদস্যসকলক দ্বিতীয়টো বর্ষৰ বাবে নির্বাচন কৰাত কোনো বাধা নাই। ফলত দ্বিতীয়টো কার্যকালত সদস্য গৰাকীয়ে অধিক দক্ষতাৰে কার্য সম্পাদন কৰিব পাৰে।

থূল গঠন (Quorum): চৰকাৰী হিচাপ ৰক্ষণ সমিতিৰ মুঠ ৮ জন সদস্যৰ উপস্থিতিত ইয়াৰ থূল গঠন হয়।

চৰকাৰী হিচাপ ৰক্ষণ সমিতিৰ কার্যাৱলী (Functions of Public Accounts Committee): চৰকাৰী হিচাপ ৰক্ষণ সমিতিৰ কার্যাৱলী বহুমুখী। ইয়াৰ প্রধান কার্য্যসমূহ হ'ল এনেধৰণৰ—

(১) সংসদত চৰকাৰী বিভাগসমূহক বিভিন্ন শিতানত ব্যয়ৰ বাবে মঞ্জুৰী দিয়া ধন মিতব্যয়িতাৰে সংশ্লিষ্ট শিতানসমূহত ব্যয় কৰা হৈছে নে নাই তাক পর্যবেক্ষণ কৰা।

(২) সমিতিখনে বিভাগসমূহে বিধিমতে ব্যয় সম্পাদন নকৰিলে সেই ক্ষেত্রত সংসদত এক বিহিত ব্যৱস্থা গ্রহণ কৰিব পাৰে।

(৩) চৰকাৰী ব্যয় সংকোচন বা হ্রাস কৰণৰ উদ্দেশ্যৰে চৰকাৰক বিভিন্ন দিশত পৰামর্শ দানৰ ক্ষমতা এই সমিতিখনক অপর্ণ কৰা হৈছে।

(৪) নিয়ন্ত্রক আৰু মহালেখা পৰীক্ষকৰ প্রতিবেদনৰ পর্যবেক্ষণো ইয়াৰ এক প্রধান কার্য।

(৫) সমিতিখনৰ আনুমানিক ব্যয়ৰ হিচাপ সম্পর্কে সংসদত উত্থাপন কৰা দিশত পৰামর্শমূলক ক্ষমতা আছে।

(৬) সমিতিখনে সমিতিখনৰ অধীনস্থ উপসমিতি সমূহৰ প্রতিবেদনৰ ভিত্তিত এখন সম্পূর্ণ, স্পষ্ট আৰু সবল প্রতিবেদন যুগুত কৰিব লাগে।

(৭) চৰকাৰী হিচাপ সমিতিখনে ৰাষ্ট্রপতিৰ নির্দেশ অনুযায়ী কিছুমান ব্যৱসায়িক প্রতিষ্ঠানৰ উৎপাদন, লাভ-লোকচান সম্পর্কে পর্যবেক্ষণ আৰু পুনৰীক্ষণ কৰিব পাৰে।

(৮) সমিতিখনে পর্যবেক্ষিত বিষয়সমূহৰ ওপৰত এখন প্রতিবেদন যুগুত কৰি তাৰ প্রতিলিপি বিত্ত মন্ত্রণালয়লৈ আৰু সংসদলৈ প্রেৰণ কৰাৰ নিয়ম।

(৯) প্রয়োজন সাপেক্ষে সমিতিখনে সংশিষ্ট কোনা বিভাগলৈ আৱশ্যকীয় তথ্যপাতি দাখিল কৰিবলৈ নির্দেশ দিব পাৰে।

(১০) বিষয়সমূহৰ অধ্যয়নৰ ওপৰত দৃষ্টি ৰাখি প্রয়োজন সাপেক্ষে সমিতিখনে অধ্যয়ন গোট (Study Group) গঠনৰ ব্যৱস্থা কৰিব পাৰে।

(১১) চৰকাৰী আয়-ব্যয় সম্পর্কীয় বিবৃত্তি এই সমিতিয়ে পৰীক্ষা কৰিব পাৰে।

(১২) প্রতিটো বিত্তীয় বর্ষত অনুমোদিত বা মঞ্জুৰীকৃত ধন যদি বিভাগসমূহে মঞ্জুৰী দিয়াতকৈ অধিক পৰিমাণে ব্যয় কৰিছে তেন্তে সমিতিখনে ইয়াৰ কাৰণ পৰীক্ষা কৰি প্রতিবেদন প্রস্তুত কৰি সংসদত দাখিল কৰাৰ নিয়ম।

চৰকাৰী হিচাপ ৰক্ষণ সমিতিৰ কার্য পদ্ধতি (Working Procedure of Public Accounts Committee): বিত্তীয় প্রশাসনত চৰকাৰী হিচাপ সমিতিৰ ভূমিকা অতি গুৰুত্বপূর্ণ। এই সমিতিখনে চৰকাৰী আয়-ব্যয় সম্পর্কীয় বিবৃতিৰ পৰীক্ষা কৰে। সংসদত মহালেখা পৰীক্ষকে চৰকাৰী ব্যয় সম্পর্কীয় যি প্রতিবেদন দাখিল কৰে উক্ত প্রতিবেদনখন পুনৰীক্ষণৰ বাবে সংসদে চৰকাৰী হিচাপ সমিতিলৈ প্রেৰণ কৰে। এই কার্য চলি থকা সময়ত সংশ্লিষ্ট বিষয়াসকলক কোনা তথ্য সম্পর্কে উত্তৰ সমিতিখনে বিচাৰিব পাৰে। যদি এই প্রতিবেদনখনত চৰকাৰে সংসদত মঞ্জৰী কৰা ধনতকৈ অধিক ব্যয় সন্নিবিষ্ট থাকে তেন্তে অধিক ব্যয়ৰ কাৰণ জনাবৰ বাবে সমিতিখনে সংশ্লিষ্ট বিষয়াক নিদের্শনা দিব পাৰে। সমিতিৰ সভাপতিজনে প্রতিবেদনখন পুনৰীক্ষণ কৰি ইয়াৰ এটা প্রতিলিপি বিত্ত মন্ত্রণালয়লৈ প্রেৰণ কৰে।

সমিতিখনে ইয়াৰ কর্মক্ষেত্রৰ অধীনস্থ কোনো বিষয় পর্যালোচনা কৰাৰ সময়ত কোনো তথ্যপাতি বিচাৰি বা কোনো কাৰণত সংশ্লিষ্ট বিষয়াক সমিতিত উপস্থিত হ'বলৈ নিদের্শ দিব পাৰে নতুবা সংশ্লিষ্ট বিষয়াক প্রয়োজন সাপেক্ষে কোনো সম্বলিত তথ্য পাতিত স্বাক্ষৰ দান কৰিবলৈ নির্দেশ দিব পাৰে।

সমিতিয়ে ইয়াৰ অধীনস্থ সকলো বিষয় পর্যালোচনা কৰি এখন প্রতিবেদন যুগুত কৰে আৰু উক্ত প্রতিবেদনখন সংসদত দাখিল কৰে।

উপৰোক্ত কর্মপদ্ধতি সম্পর্কীয় আলোচনাৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে চৰকাৰী হিচাপ-সমিতিৰ গুৰুত্ব দিনক দিনে বহু কাৰণত বৃদ্ধি পাব ধৰিছে। উক্ত কাৰণসমূহ এনেধৰণৰ—

(১) দেশে স্বাধীনতা লাভ কৰাৰ পাছৰ পৰাই এই সমিতিখন চৰকাৰী ব্যয় সম্পর্কীয় বিষয়ৰ সৈতে জড়িত হৈ আছে।

(২) সমিতিখনে বিগত সময়ছোৱাত সময়োপযোগী ব্যয় সম্পর্কীয় যি পৰামর্শ চৰকাৰক আগবঢ়াইছে উক্ত পৰামর্শ চৰকাৰে মানি লোৱাটোও পৰিলক্ষিত হৈছে।

(৩) সংসদৰ দ্বাৰা বিভিন্ন আঁচনিৰ বাবে মঞ্জুৰী দিয়া ধন নিৰ্দ্ধাৰিত সঠিকভাৱে ব্যয় কৰিছে নে নাই তাক পৰ্যালোচনা কৰাৰ দায়িত্ব সমিতিখনৰ হাতত অৰ্পণ কৰাৰ বাবেও ইয়াৰ গুৰুত্ব বৃদ্ধি পাইছে।

(৪) এই সমিতিখনে চৰকাৰী ব্যয়ৰ ওপৰত সংসদীয় নিয়ন্ত্রণ সাব্যস্ত কৰিবলৈ সমর্থ হৈছে।

(৫) এই সমিতিখনত দলীয় প্রভাৱ নাই বাবেও ইয়াৰ গুৰুত্ব বৃদ্ধি পাইছে।